অধ্যায় ৩ ঃ জ্ঞানবিদ (GENERALIST) বনাম জ্ঞান বিশেষজ্ঞ (SPECIALIST)

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ 'জ্ঞানবিদ' (Generalist) আৰু 'জ্ঞান বিশেষজ্ঞ' (Specialist)ৰ অর্থ; ভাৰতত জ্ঞানবিদ আৰু জ্ঞান বিশেষজ্ঞৰ বিতর্কৰ পটভূমি
৩.৩.১ 'জ্ঞানবিদ' আৰু 'জ্ঞান বিশেষজ্ঞ' ৰ অর্থ
৩.৩.২ ভাৰতত জ্ঞানবিদ আৰু জ্ঞান বিশেষজ্ঞৰ বিতর্কৰ পটভূমি
৩.৪ জ্ঞানবিদ তথা জ্ঞান বিশেষজ্ঞৰ সপক্ষে যুক্তি
৩.৪.১ জ্ঞানবিদৰ সপক্ষে যুক্তি
৩.৪.২ জ্ঞান বিশেষজ্ঞৰ সপক্ষে যুক্তি
৩.৪.৩ প্রশাসনিক সংস্কাৰ আয়োগৰ পৰামর্শ
৩.৫ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ
৩.৬ অধিক জানিবলৈ
৩.৭ অগ্রগতিৰ নিৰীক্ষণৰ উত্তৰ
৩.৮ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'জ্ঞানবিদ' আৰু 'জ্ঞান বিশেষজ্ঞ' ৰ অর্থৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতত জ্ঞানবিদ আৰু জ্ঞান বিশেষজ্ঞৰ বিতর্কৰ পটভূমিৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- জ্ঞানবিদৰ সপক্ষে যুক্তি আৰু জ্ঞান বিশেষজ্ঞৰ সপক্ষে যুক্তি সমূহ ব্যাখ্যা কৰিব পাৰিব।
- প্রশাসনিক সংস্কাৰ আয়োগৰ পৰামর্শৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

৩.২ পৰিচয়

দীর্ঘদিন ধৰি পণ্ডিত আৰু গৱেষকসকলৰ মাজত প্রশাসকসকলৰ স্থান, ভূমিকা আৰু প্রশাসনিক সেৱাসমূহৰ কার্যকাৰিতাক কেন্দ্র কৰি বিতর্ক চলি আহিছে। ১৯৫৮ চনত বিট্রেইনৰ অধ্যাপক জেমচ ফেচলাৰে (James Fesler) প্রশাসনত থকা এই বিতর্কৰ বিষয়ে পোন প্রথমবাৰৰ বাবে অৱতাৰণা কৰে। ১৯৬৮ চনত ব্রিটিছ প্রশাসনৰ সংস্কাৰ সম্বন্ধে দাখিল কৰা

ফুলটনৰ প্ৰতিবেদনত এই বিতৰ্কৰ ওপৰত দৃষ্টি নিক্ষেপ কৰা হৈছিল। ব্ৰিটিছ প্ৰশাসনৰ আৰ্হি অনুকৰণ কৰা ভাৰতেও স্বাধীনতাৰ সময়ৰেপৰা প্ৰশাসন যন্ত্ৰটোত এই সমস্যাৰ সন্মুখীন হৈ আহিছে। এই বিষয়টোৱে আমাৰ প্ৰধানমন্ত্ৰী, বিভিন্ন অধ্যায়নকাৰী দল, প্ৰশাসনীয় আয়োগ আদিৰ দৃষ্টি আকৰ্ষণ কৰিছে। ভাৰতীয় প্ৰশাসন ব্যৱস্থাই সন্মুখীন হৈ থকা এই দ্বিধাগ্ৰস্ততা সম্পৰ্কে ১৯৮৬ চনৰ মে মাহত প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়েও নতুন দিল্লীত অনুষ্ঠিত 'বিজ্ঞান আৰু ঔদ্যোগিক গৱেষণা সংস্থা' (Council of Scientific and Industrial Research) ৰ অধীনৰ ৰাষ্ট্ৰীয় পৰীক্ষাগাৰৰ সঞ্চালকসকলৰ এখন অধিৱেশনত উত্থাপন ৰৰি কৈছিল, "যদিহে মহান বিজ্ঞানীসকলক প্ৰশাসনিক কাম-কাজত জড়িত কৰোৱা হয়, তেন্তে আমি একোজন বিজ্ঞানী হেৰুওৱাৰ লগতে প্ৰশাসন যন্ত্ৰতো কোনো ফলপ্ৰসু ফলাফল নাপাম।"

৩.৩ 'জ্ঞানবিদ' (Generalist) আৰু 'জ্ঞান বিশেষজ্ঞ'(Specialist)ৰ অৰ্থ; ভাৰতত জ্ঞানবিদ আৰু জ্ঞান বিশেষজ্ঞৰ বিতৰ্কৰ পটভূমি

৩.৩.১ 'জ্ঞানবিদ আৰু 'জ্ঞান বিশেষজ্ঞ'ৰ অৰ্থ

'জ্ঞানবিদ' (generalist) আৰু 'জ্ঞান বিশেষজ্ঞ' (specialist) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰখনৰ দুটা সহজবোধ্য শব্দ। জ্ঞানবিদসকল বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জ্ঞানৰ ক্ষেত্ৰত বহল দৃষ্টিভংগীৰ অধিকাৰী হয়। তেওঁৰ কোনো ক্ষেত্ৰৰ অন্তৰ্গত এটা নিৰ্দিষ্ট বিষয়ৰ জ্ঞান নাথাকিলেও বিষয় বা সমস্যাটো সম্বন্ধে এক বহল দৃষ্টিভংগী গ্ৰহণ কৰি এটা সাধাৰণ (general) উপদেশ বা মত প্ৰদান কৰিব পাৰে। জ্ঞানবিদ এগৰাকীয়ে উচ্চ পৰ্যায়ৰ সহযোগিতা তথা উদ্দেশ্য সাধনত গুৰুত্ব প্ৰদান কৰে। সাধাৰণতে জ্ঞানবিদ এজনে প্ৰশাসনৰ মধ্য স্তৰৰ উচ্চ পৰ্যায়ত অথবা উচ্চ স্তৰৰ নিম্ন পৰ্যায়ত কাৰ্যনিৰ্বাহ কৰে। গ্ৰেট ব্ৰিটেইনত এনেধৰণৰ সেৱাসমূহৰ শ্ৰেণীক প্ৰশাসনীয় শ্ৰেণী বোলে। প্ৰশাসনীয় সেৱাত প্ৰৱেশ কৰা জ্ঞানবিদ এজন সাহিত্য, বুৰঞ্জী, সমাজ বিজ্ঞান, পদাৰ্থ বিজ্ঞান, জীৱবিজ্ঞান, অংকশাস্ত্ৰ, বাণিজ্য, একাউণ্টেন্সি, ইঞ্জিনীয়াৰিং অথবা মেডিকেল যিকোনো বিভাগৰ স্নাতক উত্তীৰ্ণ শিক্ষাৰ্থী হ'ব পাৰে। স্নাতকৰ বিষয় অনুসৰি তেওঁ সাধাৰণতে পৰিকল্পনা কৰা (Planning), সংগঠিত কৰা (Organising), পৰিচালনা কৰা (Supervising), নিৰ্দেশনা প্ৰদান কৰা (Directing), সহযোগিতা স্থাপন কৰা (Coordinating), প্ৰতিবেদন প্ৰস্তুত কৰা (Reporting) আৰু বাজেট প্ৰস্তুত কৰা (Budgeting)-ৰ দায়িত্ব পালন কৰে। এই দায়িত্বসমূহক চমুকৈ POSDCORB হিচাপে জনা যায়।

আনহাতে এগৰাকী জ্ঞান বিশেষজ্ঞ যিকোনো এটা বিষয়ৰ অন্তৰ্গত কোনো এটা শাখা সম্বন্ধে গভীৰ জ্ঞানৰ অধিকাৰী হয়। তেওঁ নিজৰ ক্ষেত্ৰখনত জ্ঞানৰ অন্বেষণৰ উদ্দেশ্যে গভীৰৰ পৰা গভীৰতালৈ প্ৰৱেশ কৰে। জ্ঞান বিশেষজ্ঞ এগৰাকী সাধাৰণতে

নিজৰ নির্দিষ্ট কর্মক্ষেত্রৰ প্রতি অধিক মনোযোগী হয়। তেখেতৰ আগ্রহ সেই নির্দিষ্ট সুক্ষ্ম ক্ষেত্রখনতে সীমাৱদ্ধ থাকে আৰু ক্ষেত্রখনত তেওঁ গভীৰলৈ প্রৱেশ কৰে। তেওঁ যিকোনো সমস্যা বহল দৃষ্টিভংগীৰে পর্যালোচনা নকৰে। এগৰাকী জ্ঞানবিদ দৰে তেওঁ সাধাৰণৰ পৰা বিশেষলৈ (whole to part) গতি কৰিব নোৱাৰে। 'জ্ঞান বিশেষজ্ঞ' অভিধাটোৰে অৱজ্ঞাসূচকভাৱে এনে এজন ব্যক্তিক নির্দেশ কৰা হয়, যিয়ে সুক্ষ্মতকৈও সুক্ষ্ম ক্ষেত্র এখনৰ বিষয়ে অধিকতকৈও অধিক জানে।

৩.৩.২ ভাৰতৰ জ্ঞানবিদ আৰু জ্ঞান বিশেষজ্ঞৰ বিতর্কৰ পটভূমি

জ্ঞানবিদ আৰু জ্ঞান বিশেষজ্ঞৰ মাজৰ এই বিতর্ক প্রশাসন ব্যৱস্থাটোৰ দৰেই পু�ৰণি। জ্ঞানবিদ প্রশাসক/আমোলাসকলক ব্রিটিছ ঔপনিৱেশিক শাসকসকলে সৃষ্টি কৰিছিল। ব্রিটিছসকলে আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত অভিজাত পৰিয়ালৰ লোকসকলক ঔপনিৱেশিক শাসন ব্যৱস্থাত সহায় কৰিবলৈ নিয়োগ কৰিছিল। ভাৰতীয় অসামৰিক সেৱা (Indian Civil Service)- ত জড়িত যুৱকসকল ব্রিটিছ ঔপনিৱেশিক শাসনৰ প্রতিটো দিশৰ ৰক্ষক হৈ পৰিছিল। তেওঁলোকক স্বৈৰাচাৰী শাসক হিচাপে গঢ়ি তুলিবলৈ আৰু নিজৰ পদমর্যাদাৰ মান অটুট ৰাখিবলৈ প্রশিক্ষণ প্রদান কৰা হৈছিল। স্বাধীনতাৰ পিছত ব্রিটিছৰ সময়ৰ ভাৰতীয় অসামৰিক সেৱা (ICS) ক ভাৰতীয় প্রশাসনিক সেৱা (Indian Administrative Service) নামেৰে নামকৰণ কৰা হৈছিল। স্বাধীন ভাৰতৰ এই প্রশাসনিক বিষয়াসকলে ৰাষ্ট্রীয় সংহতি স্থাপন আৰু স্থানীয় বিভাজনকাৰী শক্তিসমূহক দমন কৰাৰ দায়িত্ব পালন কৰি আহিছে। পূর্বপ্রস্তুত পৰিকল্পনা অনুসৰি প্রশাসনীয় বিষয়াসকল জিলা পর্যায়ৰপৰা ৰাজ্যৰ ৰাজধানীলৈ তাৰ পৰা কেন্দ্রীয় সচিবালয়লৈ গতি কৰে আৰু শেষত কেন্দ্রীয় সচিবালয়ৰপৰা পুনৰ জিলা পর্যায়লৈ ঘূৰি আহে। প্রশাসন ব্যৱস্থাটোৰ মেৰুদণ্ডস্বৰূপ এই বিষয়াসকল প্রশাসন ব্যৱস্থাটোৰ শীর্ষতম স্থানত অধিষ্ঠিত হৈ আছে। অৱশ্যে ভাৰত চৰকাৰে উন্নয়নমূলক কার্যসমূহৰ প্রসাৰৰ উদ্দেশ্যে প্রযুক্তিবিদ্যাৰ সেৱাসমূহত বিজ্ঞানী, অভিযন্তা, প্রযুক্তিবিদ, চিকিৎসক আদি নিযুক্তি দিয়াৰ লগে-লগে ভাৰতত জ্ঞানবিদসকলৰ মাজত বিতর্কৰ সূত্রপাত হ'ল। ৰাষ্ট্রৰ পুনৰ নির্মাণ আৰু উন্নয়নৰ যুগত (স্বাধীনতাৰ পৰৱর্তী যুগ) চৰকাৰৰ কার্যাৱলীৰ ক্ষিপ্র আৰু ব্যাপক বিস্তাৰ হৈছিল। প্রযুক্তিবিদ্যাৰ সেৱাসমূহত জড়িত বিষয়াসকলে দেশৰ উন্নয়নত গুৰুত্বপূর্ণ অৱদান আগবঢ়ালেও কেন্দ্রীয় প্রশাসন ব্যৱস্থাত শীর্ষস্থান লাভ কৰিব নোৱাৰে। প্রযুক্তিবিদ্যাৰ সেৱাসমূহৰ বিষয়াসকলক প্রশাসন যন্ত্রত শীর্ষ পদত অধিষ্ঠিত হোৱাৰ সুযোগ প্রদান নকৰাক কেন্দ্র কৰি বিতর্কৰ সৃষ্টি হৈছিল। বর্তমান সময়ত প্রশাসন যন্ত্রটো পূর্বৰ দৰে এটা সাধাৰণ ব্যৱস্থা মাত্র হৈ থকা নাই আৰু সেয়েহে গতানুগতিক আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত ব্যক্তিয়ে এই ব্যৱস্থাটো অকলে পৰিচালনা কৰিব নোৱাৰে। আধুনিক যুগৰ প্রশাসন ব্যৱস্থাটো জ্ঞানবিদসকলে অকলে সফলভাৱে চলাব নোৱাৰে। আধুনিক

জটিল প্রশাসন ব্যৱস্থাটোত সেৱা আৰু নীতিসমূহৰ স্পষ্ট উল্লেখ থাকে। সেয়েহে এগৰাকী জ্ঞান বিশেষজ্ঞই এই সুস্পষ্ট সেৱা আৰু নীতিসমূহ এগৰাকী জ্ঞানবিদৰ সমানে সফলভাৱে পৰিচালনা কৰিব পাৰে।

ভাৰতত ৰাজহুৱা খণ্ডত জ্যেষ্ঠ আৰু শীর্ষস্থানীয় পদৰ প্রতিযোগিতাৰ বাবে জ্ঞানবিদৰ বিতর্কই এক নতুন মাত্রা লাভ কৰিছে। তদুপৰি ১৯৬৬ চনত প্রশাসনিক সংস্কাৰ আয়োগৰ প্রতিবেদন প্রকাশৰ পিছত এই বিতর্কত এক নতুন দিশৰ সংযোজন হৈছিল। প্রতিবেদনখনত থকা পৰামর্শ অনুসৰি ভাৰতৰ প্রশাসন ব্যৱস্থাটো কেৱল জ্ঞানবিদসকলৰ সেৱা হৈ থকাৰ সলনি ই প্রশাসন যন্ত্রটোৰ কার্যকৰী দিশৰ ওপৰত অধিক গুৰুত্ব প্রদান কৰা উচিত। যদিহে আয়োগৰ প্রতিবেদনৰ এই প্রস্তাৱ গৃহীত হয়, তেন্তে প্রশাসনিক সেৱাত কেৱল জ্ঞান বিশেষজ্ঞসকলহে থাকিব জ্ঞানবিদসকল নাথাকে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ জ্ঞানবিদৰ অর্থ ব্যাখ্যা কৰক।

.....

.....

প্রশ্ন ২ ঃ এগৰাকী জ্ঞান বিশেষজ্ঞ যিকোনো বিষয়ৰ অন্তর্গত কোনো এক শাখা সম্বন্ধে গভীৰ জ্ঞানৰ অধিকাৰী হয়। (শুদ্ধ/অশুদ্ধ)

.....

.....

৩.৪ জ্ঞানবিদ আৰু জ্ঞান বিশেষজ্ঞৰ সপক্ষে যুক্তি

৩.৪.১ জ্ঞানবিদসকলৰ সপক্ষে যুক্তি

(১) এগৰাকী জ্ঞানবিদ বহল দৃষ্টিভংগী আৰু নেতৃত্বদানৰ ক্ষমতাৰ বাবে জনাজাত। তেওঁ প্রচুৰ কল্পনাশক্তি, তথা খৰতকীয়া সিদ্ধান্ত গ্রহণ ক্ষমতাৰ অধিকাৰী হয়। লগতে তেওঁ যথেষ্ট উৎসাহী আৰু আনক অনুপ্রেৰণা যোগাব পৰা ব্যক্তি হোৱা দেখা যায়। সেয়েহে তেওঁ যিকোনো মন্ত্রীক কোনো আঁচনিৰ ৰাজনৈতিক তথা

তুলনামূলকভাৱে নিম্ন পর্যায়ৰ প্রযুক্তিগত দিশ সম্পর্কে উপদেশ দিব পাৰে। আনহাতে, এগৰাকী জ্ঞান বিশেষজ্ঞ বা কাৰিকৰী বিশেষজ্ঞৰ দৃষ্টিভংগীৰ পৰিসৰ আপেক্ষিকভাৱে সংকীর্ণ হোৱাৰ লগতে তেওঁ বদ্ধমূল ধাৰণাৰ অধিকাৰী হোৱা দেখা যায়। গতিকে বহু ক্ষেত্রত তেওঁৰ কোনো বিষয়ৰ সূক্ষ্ম জ্ঞান সম্পদৰ সলনি বোজা স্বৰূপ হৈ পৰে। যিকোনো আঁচনিৰ কার্যকৰীকৰণৰ ক্ষেত্রত এই বিশেষ জ্ঞানে তেওঁক শলঠেকত পেলাব পাৰে। গতিকে উচ্চ পর্যায়ত যিকোনো কর্ম সম্পাদনৰ বাবে সংকীর্ণ কাৰিকৰী জ্ঞানৰ সলনি ব্যাপক পৰিসৰৰ বহু বিষয়ৰ বিশেষজ্ঞৰ জ্ঞান অর্থাৎ জ্ঞানবিদৰ হে প্রয়োজনীয়।

(২) জ্ঞানবিদসকলে গ্রহণ কৰা সিদ্ধান্ত আৰু আঁচনি নিম্নতম পর্যায়ৰ কর্মচাৰীকে সকলোৱে সহজে বুজি পায়। ফলত এই সিদ্ধান্ত আৰু আঁচনিসমূহ সহজে বাস্তৱত কার্যকৰী কৰিব পাৰে।

(৩) জ্ঞানবিদ এজনে সহজে মন্ত্রী, বিধায়ক তথা বিশেষজ্ঞসকলৰদ্বাৰা সৃষ্ট খেলি-মেলিসমূহ আঁতৰাব পাৰে আৰু দেশৰ বাবে ক্ষতিকাৰক হিচাপে পৰিগণিত উচ্ছৃংখল জনতাক অতি কৌশলেৰে অৱদমিত কৰিব পাৰে। সংসদত মন্ত্রীসকল কোনো প্রশ্ন বা সমালোচনাৰ সন্মুখীন হ'লে জ্ঞানবিদসকলে শক্তিশালী আৰু পতিয়নযোগ্য উত্তৰেৰে মন্ত্রীসকলক সমর্থন জনায়। এনে অৱস্থাৰ সন্মুখীন হ'বলৈ বিচক্ষণতাৰ লগতে বহল দৃষ্টিভংগী আৰু নমনীয় গুণৰ অধিকাৰী হ'ব লাগিব। এই দিশবোৰ এগৰাকী জ্ঞান বিশেষজ্ঞৰ চৰিত্রত দেখা নাযায়।

(৪) সাধাৰণতে চৰকাৰৰ উপদেষ্টাৰ ভূমিকা পালন কৰিব পাৰে বাবে জ্ঞানবিদসকলক তুলনামূলকভাৱে সচিবালয়, ৰাজ্য আৰু কেন্দ্রৰ বিভাগীয় পদৰ বাবে অধিক উপযুক্ত বুলি কোৱা হয়। চৰকাৰক পৰিকল্পনা সম্বন্ধীয় কোনো উপদেশ প্রদান কৰাৰ আগতে উপদেশ প্রদানকাৰীজনৰ পৰিকল্পনাৰ লগতে বিভিন্ন সমস্যাৰ প্রতিটো দিশৰ পুংখানুপুংখ ধাৰণা থাকিব লাগিব। শিৱৰমনৰ মতে, "নির্দিষ্ট ক্ষেত্রখন সম্বন্ধে অভিজ্ঞতা আৰু মৌলিক জ্ঞান তথা ৰাজ্যখনৰ প্রশাসন ব্যৱস্থাৰ বিষয়ে বহল দৃষ্টিভংগী নোহোৱাকৈ যিকোনো উপদেষ্টাৰ উপদেশ মূল্যহীন হিচাপে পৰিগণিত হ'ব।

(৫) জ্ঞানবিদসকলৰ সপক্ষে কোৱাসকলৰ মতে, এটা সর্বভাৰতীয় ব্যৱস্থাহে ভাৰতৰ যুক্তৰাষ্ট্রীয় ব্যৱস্থাৰ বাবে উপযোগী। স্থানীয় সমস্যা আৰু বৈষম্যক স্পর্শ নকৰা কেন্দ্রীয় চৰকাৰৰ আঁচনিসমূহৰ বিপক্ষে প্রায়ে ৰাজ্যসমূহে অসন্তুষ্টি ব্যক্ত কৰা দেখা যায়। ভাৰতৰ দৰে এক বৃহৎ যুক্তৰাষ্ট্রীয় ব্যৱস্থা বিফল হিচাপে পৰিগণিত হ'ব যদিহে কেন্দ্রৰ উপদেষ্টাসকল তেওঁলোকৰ দপ্তৰৰ অন্তর্গত দেশৰ যিকোনো স্থানৰ বিষয়বোৰৰ বিষয়ে ভালদৰে অৱগত নহয়। দেশৰ যিকোনো স্থানত কাম কৰাৰ অভিজ্ঞতা থকা এগৰাকী জ্ঞানবিদ এই সম্পর্কীয়

ব্যাপক অভিজ্ঞতাৰ অধিকাৰী হয়। সেয়েহে তেওঁ সহজে আৰু সঠিকভাৱে জনসাধাৰণৰ প্ৰয়োজন আৰু সমস্যাসমূহ অনুধাৱন কৰিব পাৰিব লাগিব।

(৬) জ্ঞানবিদ এগৰাকীয়ে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানত সহজে পৰিচালক (manager) ৰ দায়িত্ব পালন কৰিব পাৰে। ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰিচালকসকলে কিছু প্ৰশাসনীয় দায়িত্বও পালন কৰিব লাগে আৰু এই দিশত জ্ঞানবিদসকল যথেষ্ট সক্ষম।

(৭) বহল দৃষ্টিভংগীৰ অধিকাৰী হোৱা বাবে জ্ঞান বিশেষজ্ঞসকলৰ তুলনাত বহু ক্ষেত্ৰত জ্ঞানবিদসকল অধিক পৰিপক্ক হিচাপে চিহ্নিত। তদুপৰি উপযুক্ত সংস্থাপন প্ৰশিক্ষণৰ জৰিয়তে জ্ঞানবিদসকলে সময়ৰ লগত খোজ মিলাই নিত্য পৰিৱৰ্তিত ক্ষেত্ৰৰ লগত সমানে ফেৰ মাৰিব পাৰে।

(৮) জ্ঞানবিদসকলে এটা গণতান্ত্ৰিক ব্যৱস্থাৰ পোষকতা কৰে। তেওঁলোক বদ্ধমূল ধাৰণাৰ পৰা মুক্ত। সেয়েহে তেওঁলোক ক্ষমতালোভী হোৱাও দেখা নাযায়। জ্ঞানবিদসকলে মন্ত্ৰী-আমোলাৰ সৈতে সহযোগিতাৰে কাম কৰে আৰু উচ্চ পৰ্যায়ৰ ৰাজনৈতিক নেতাসকলৰ জ্যেষ্ঠতা বিনাদ্বিধাই মানি লয়।

৩.৪.২ জ্ঞান বিশেষজ্ঞ সকলৰ সপক্ষে যুক্তি

জ্ঞান বিশেষজ্ঞসকলৰ সপক্ষে কোৱাসকলে জ্ঞানবিদসকলৰ তুলনাত জ্ঞান বিশেষজ্ঞসকলক শ্ৰেষ্ঠত্ব প্ৰদান কৰি বিভিন্ন যুক্তি প্ৰদান কৰিছে —

(১) প্ৰযুক্তিৰ লগত জড়িত কোনো চৰকাৰী বিভাগত এগৰাকী জ্ঞানবিদক সচিব হিচাপে নিয়োগ কৰি এই সম্পৰ্কত অজ্ঞ এগৰাকী মন্ত্ৰীক সহায় কৰাৰ দায়িত্ব অৰ্পণ কৰিলে এগৰাকী অন্ধ ব্যক্তিক আন এজন অন্ধই বাট দেখুৱাৰ দৰে পৰিস্থিতিৰ সৃষ্টি হ'ব। জ্ঞানবিদসকলে এগৰাকী অজ্ঞ মন্ত্ৰীক বিভিন্ন দিশত উপদেশ প্ৰদান কৰিবলগীয়া হয়। ই যিকোনো বিভাগৰ কাৰ্যপ্ৰণালীত যথেষ্ট বিৰূপ প্ৰভাৱ পেলাব পাৰে।

(২) জ্ঞান বিশেষজ্ঞসকলৰ সপক্ষে যুক্তি দাঙি ধৰা লোকসকলৰ মতে, কেৱল জ্ঞানবিদসকলে অকলে সচেতনভাৱে কোনো আঁচনি আৰু প্ৰকল্পৰে মূল্যায়ন কৰি সেইবোৰৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰয়োগ বুজি পায় — এনে ধাৰণাৰ বশৱৰ্তী হোৱা উচিত নহয়। আকৌ কেৱল জ্ঞানবিদসকলে বিভিন্ন বিষয় জনসাধাৰণৰ সহজবোধ্য কৰি তুলিব পাৰে বুলি এটা বদ্ধমূল ধাৰণা পোৱা যায়। জ্ঞান বিশেষজ্ঞসকল জ্ঞানবিদসকলৰ তুলনাত কোনো গুণে কম দক্ষতাসম্পন্ন নহয়। দৰাচলতে তেওঁলোকক প্ৰদান কৰা কঠোৰ প্ৰশিক্ষণৰ বাবে বহু ক্ষেত্ৰত জ্ঞান বিশেষজ্ঞসকলে আঁচনি আৰু

প্রকল্পসমূহ অধিক সফলতাৰে পৰিচালনা কৰিবলৈ সক্ষম হোৱাৰ লগতে জনসাধাৰণৰ সৈতেও সু-সম্পর্ক স্থাপন কৰিব পাৰে। কিন্তু এটা বিভাগৰ পৰা আন এটা বিভাগলৈ হোৱা সঘন বদলিৰ বাবে জ্ঞানবিদসকল এনে সক্ষমতাৰ অধিকাৰী হোৱা দেখা নাযায়।

(৩) ইয়াৰ উপৰিও জ্ঞানবিদসকলৰদ্বাৰা পৰিচালিত ৰাজহুৱা প্রতিষ্ঠানসমূহত জ্ঞান বিশেষজ্ঞসকলৰদ্বাৰা পৰিচালিত প্রতিষ্ঠানৰ তুলনাত অধিক সু-পৰিচালনাৰ অভাৱ দেখা গৈছে। সু-পৰিচালনাৰ অভাৱৰ বাবেই ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানসমূহ যথেষ্ট লোকচানৰ সন্মুখীন হৈছে। আনহাতে জ্ঞান বিশেষজ্ঞসকলৰ দ্বাৰা পৰিচালিত প্রতিষ্ঠানসমূহ এনে সমস্যাৰ সন্মুখীন হোৱা দেখা নাযায়। উদাহৰণস্বৰূপে আমি বিশিষ্ট বিজ্ঞানী ড° জাহাংগীৰ ভাবাৰদ্বাৰা পৰিচালিত পাৰমাণৰিক শক্তি প্রতিষ্ঠান (Atomic Energy Commission) ৰ কথা ক'ব পাৰোঁ।

(৪) জ্ঞানবিদসকলে অকলে যিকোনো আর্থিক আৰু ৰাজনৈতিক সমস্যাৰ সমাধান কৰিব পাৰে বুলি প্রচলিত ধাৰণাটো সমালোচকসকলে মানি লোৱা নাই। ৰাজনৈতিক সমস্যাসমূহ প্রশাসনিক নেতৃত্বৰ লগত জড়িত নহয়। ই হৈছে ৰাজনৈতিক নেতা অর্থাৎ মন্ত্রীসকলৰ ক্ষমতাৰ পতনৰ ফলত উৎপন্ন হোৱা সমস্যা। অর্থনৈতিক সমস্যাসমূহ এগৰাকী দক্ষ অর্থনীতিবিদে এই দিশত অজ্ঞ জ্ঞানবিদ এগৰাকীৰ তুলনাত অধিক সফলভাৱে সমাধান কৰিব পাৰে।

(৫) এই কথা ইতিমধ্যে উনুকিওৱা হৈছে যে কল্যাণকামী ৰাষ্ট্রৰ ধাৰণাৰ বিকাশৰ বাবে প্রশাসনিক বিষয়াসকলৰ দায়িত্বৰো পৰিৱর্তন হৈছে। পূর্বৰ দৰে তেওঁলোকৰ দায়িত্ব কেৱল নিজৰ অধীনৰ বিভাগৰ আইন শৃংখলা বজাই ৰখা আৰু বিভাগটো সুন্দৰ ৰূপত পৰিচালনা কৰাতেই শেষ নহয়। তেওঁলোকে চৰকাৰৰ হৈ বিভিন্ন কল্যাণকামী কাম-কাজো কৰিবলগীয়া হৈছে। ইয়ে তেওঁলোকৰ মনত নিজৰ গুৰুত্বক কেন্দ্র কৰি অহংকাৰ ভাবৰো সৃষ্টি কৰে। ফলত তেওঁ ক্রমে জনসাধাৰণৰ পৰা আঁতৰি আহে। স্বাধীন ভাৰতৰ চৰকাৰখনক আমোলাৰদ্বাৰা (পৰিচালিত), আমোলাৰ বাবে আৰু আমোলাৰ চৰকাৰ হিচাপে আখ্যা দিয়া হয়। ই বর্তমানৰ সমাজৰ কল্যাণকামী দৃষ্টিভংগীৰ লগত সমানে আগবাঢ়ি যোৱাত অসমর্থ হৈছে। সেয়েহে জ্ঞানবিদৰ স্থানত জ্ঞান বিশেষজ্ঞসকলক নিয়োগ কৰিব লাগে যাতে পৰিৱর্তিত প্রযুক্তিবিদ্যাৰ ক্ষেত্রখনৰ লগত ফেৰ মাৰি বিভিন্ন প্রত্যাহ্বান গ্রহণ কৰিব পাৰে।

(৬) জ্ঞান বিশেষজ্ঞসকলৰ সপক্ষে যুক্তি প্রদর্শন কৰাসকলে কৈছে যে যিহেতু এনে বিশেষজ্ঞসকলক নির্দিষ্ট বিষয়টোৰ গভীৰলৈ প্রৱেশ কৰাৰ বাবে প্রশিক্ষণ দিয়াৰ লগতে তেওঁলোক কোনো বিষয়ৰ বিশ্লেষণৰ বিষয়ে অধিক জ্ঞাত হয়, সেয়েহে আঁচনি প্রস্তুতৰ

সময়ত ক্ষমতাকেন্দ্রিক বিন্যাসত (hierarchy) নিম্ন স্তৰত ৰাখিব নালাগে। তেওঁৰ দক্ষতা আৰু কাৰিকৰী কুশলতাৰ ভিত্তিত তেওঁক দায়িত্ব অর্পন কৰিব লাগে।

(৭) যিকোনো অজ্ঞ ৰাজনীতিৰ বাবে এজন জ্ঞান বিশেষজ্ঞ অধিক ফলপ্রসূ হিচাপে পৰিগণিত হয়। তেওঁ প্রতিটো ক্ষেত্রতে এজন সমর্থনকাৰীৰ ভূমিকা পালন নকৰিব পাৰে। কিন্তু তেওঁৰ দক্ষতা আৰু পেচাদাৰী প্রশিক্ষণৰ বাবে তেওঁ ৰাজনৈতিক নেতাক পতিয়ন নিয়াই যিকোনো কার্য সঠিক ৰূপত সম্পাদন কৰিব পাৰে। এগৰাকী অজ্ঞ আৰু এগৰাকী দক্ষ লোকৰ এনে সহযোগিতামূলক আচৰণে গণতান্ত্রিক ব্যৱস্থাক সফল কৰি তুলিব পাৰে।

(৮) এগৰাকী জ্ঞানবিদ প্রশাসন সম্বন্ধীয় সকলো দিশ সম্বন্ধে অৱগত হোৱাৰ দৃষ্টিভংগীটো সমালোচকসকলে মানি নলয়। তেওঁলোকৰ মতে এনে প্রশাসনিক বিষয়াৰ কাচিৎহে আগমন হয়। তেওঁলোক প্রশাসনিক বিকাশৰ কোনো পদ্ধতি সম্পর্কে সম্পূর্ণ জ্ঞাত নহয়। সেয়েহে প্রশাসনিক সমস্যাৰ বিশ্লেষণ আৰু তাৰ সমাধান নির্ণয়ৰ বাবে বিভিন্ন বিভাগত জ্ঞান বিশেষজ্ঞ নিয়োগ কৰিলে অধিক সুফল পোৱা যাব।

৩.৪.৩ প্রশাসনিক সংস্কাৰ আয়োগ (Administrative Reforms Commission)-ৰ পৰামর্শ

ভাৰতত প্রশাসনিক সংস্কাৰ আয়োগ জ্ঞানবিদ বনাম জ্ঞান বিশেষজ্ঞৰ বিষয়টো কর্মচাৰীৰ প্রশাসন (Personnel Administration) সম্পর্কীয় প্রতিবেদনত গুৰুত্ব সহকাৰে বিচাৰ কৰি চাইছে। আয়োগে চৰকাৰৰ ভূমিকাৰ পৰিৱর্তনৰ প্রয়োজনীয়তা অনুভৱ কৰাৰ লগতে চৰকাৰৰ ব্যাপক কার্যাৱলীৰ প্রতি লক্ষ্য ৰাখি প্রশাসন ব্যৱস্থাৰ উচ্চ স্তৰত কৌশলী আৰু অভিজ্ঞ লোকৰ অন্তর্ভুক্তিৰ পোষকতা কৰিছে। এই ক্ষেত্রত প্রশাসনিক সংস্কাৰ আয়োগে তলত দিয়া দিশসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে

(১) নির্দিষ্ট পদত যোগ্যতা আৰু অর্হতা থকা ব্যক্তিক নিযুক্ত কৰাৰ এটা ব্যৱস্থা গঢ়ি তুলিব লাগিব। ইয়াৰ জৰিয়তে সচিবালয়ৰ বিভিন্ন কার্যৰ বাবে প্রয়োজনীয় সেৱাসমূহত নিয়োজিত ব্যক্তিৰ পূর্ণ প্রয়োগৰ লক্ষ্য আগত লোৱা হৈছে।

(২) জ্যেষ্ঠ পৰিচালকৰ পদসমূহৰ বাবে প্রার্থী জ্ঞানবিদ অথবা জ্ঞান বিশেষজ্ঞ উভয়ৰপৰা বাচনি কৰিব লাগে। প্রার্থীসকলৰ প্রতিভা চিনি উলিয়াই সেইবোৰ বিকাশ কৰাৰ ব্যৱস্থা গ্রহণ কৰিব লাগে।

(৩) বেতন প্রদানৰ ক্ষেত্রত প্রতিটো স্তৰত এটা সন্তোষজনক পৰিমাণ নির্ধাৰণ কৰিব

লাগে যাতে ই প্রতিটো পদৰ প্রতি গৰাকী প্রার্থীয়ে পালন কৰা দায়িত্বৰ অনুকূলে হয়।

(৪) প্রতিযোগিতা আৰু প্রদর্শনৰ ভিত্তিত প্রশাসনিক সেৱাত জড়িত নিম্নবর্গৰ প্রতিভা ৱান প্রার্থীসকলক উচ্চ পর্যায়লৈ যোৱাৰ সুবিধা প্রদান কৰিব লাগে।

(৫) প্রশাসনিক সংস্কাৰ আয়োগে উচ্চ পর্যায়ৰ প্রশাসনিক সেৱাৰ পদসমূহ দুটা ভাগত ভাগ কৰিছে — ক্ষেত্রভিত্তিক পদ আৰু মুখ্য কার্যালয়ৰ পদ। ক্ষেত্রভিত্তিক পদসমূহত কার্যকৰী সেৱা (functional service) যেনে আভিযান্ত্রিকসেৱা, হিচাপ পৰীক্ষণ আৰু আয়কৰ সেৱাৰ বিষয়াসকলে কার্যনির্বাহ কৰে। আয়োগৰ মতে প্রশাসনিক সেৱাৰ অধিকাংশ উচ্চ পর্যায়ৰ পদ অধিগ্রহণ কৰি থকা অথচ কার্যকৰী নোহোৱা একমাত্র সেৱা হৈছে ভাৰতীয় প্রশাসনিক সেৱা। আয়োগৰ পৰামর্শ অনুসৰি ভাৰতীয় প্রশাসনিক সেৱাসমূহ কার্যকৰী সেৱা হিচাপে গঢ়ি তুলিব লাগে।

প্রশাসনিক সংস্কাৰ আয়োগে উভয়ৰ অর্থাৎ জ্ঞানবিদ আৰু বিজ্ঞানী তথা প্রযুক্তিবিদৰ দৰে বিশেষজ্ঞৰ স্বকীয় মর্যাদা আৰু গুৰুত্ব আছে বুলি মত পোষণ কৰিছে। আয়োগৰ মতে, দক্ষ আৰু প্রভাৱশালী প্রশাসনৰ বাবে জ্ঞানবিদ আৰু জ্ঞান বিশেষজ্ঞ উভয়ে নিষ্ঠা সহকাৰে নিজৰ দায়িত্ব পালন কৰিব লাগিব।

আয়োগে উল্লেখ কৰা এই দিশসমূহ যথেষ্ট গুৰুত্বপূর্ণ। আয়োগে যে সঠিকভাৱে সমস্যাসমূহৰ মূল্যায়ন কৰিছে তাত কোনো সন্দেহ নাই। জ্ঞানবিদৰ ওচৰত মাত্রাধিক নির্ভৰশীলতাই প্রশাসন যন্ত্রৰ কুশলতাৰ ওপৰত বিৰূপ প্রভাৱ পেলোৱাৰ লগতে সাধাৰণ লোকৰ আশা-আকাংক্ষাকো প্রভাৱিত কৰিছে। সেয়েহে চৰকাৰৰ উচ্চ পর্যায়ৰ সেৱাসমূহত বিশেষজ্ঞ আৰু কাৰিকৰীভাৱে দক্ষ লোকক নিয়োগ কৰাৰ প্রয়োজনীয়তা আহি পৰিছে। এওঁলোকক উপদেষ্টাৰ ভূমিকাহে প্রদান কৰা উচিত। সিদ্ধান্ত গ্রহণৰ প্রক্রিয়াত তেওঁলোকক অন্তর্ভুক্ত কৰা উচিত নহয়; কিয়নো তেওঁলোক আন বিভাগৰ ব্যক্তি আৰু বিষয়ৰ মাজত সম্পর্ক স্থাপনত কৃতকার্য নহ'ব পাৰে। গতিকে শেষত এইটো ক'ব পাৰি যে, প্রশাসনিক সেৱাসমূহ কেৱল জ্ঞানবিদসকলৰ বাবে সংৰক্ষণ হৈ থকা উচিত নহয়। উপলব্ধ প্রতিভাসমূহৰ পূর্ণ ব্যৱহাৰৰ জৰিয়তে জ্ঞানবিদ আৰু জ্ঞান বিশেষজ্ঞৰ মাজৰ এই বিতর্ক অন্ত পেলাব পাৰি। চৰকাৰেও প্রশাসনিক সংস্কাৰ আয়োগৰ পৰামর্শসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিশেষজ্ঞসকলক তেওঁলোকৰ প্রাপ্য অনুসৰি পদমর্যাদা প্রদানৰ ব্যৱস্থা গ্রহণ কৰিব লাগে। জ্ঞানবিদ আৰু জ্ঞান বিশেষজ্ঞৰ মাজৰ এই বিতর্কৰ অৱসানৰ বাবে সেৱাসমূহৰ আন্তঃ সহযোগিতামূলক ব্যৱস্থা আৰম্ভ কৰিব লাগে। এনে সহযোগিতা ফলপ্রসূ আৰু কার্যকৰী হ'ব যদিহে ই উৎকৃষ্টতা বা নিকৃষ্টতাৰ সলনি উভয়ৰ ইচ্ছা,সন্মান, সামর্থ্য আৰু আকাংক্ষাৰ ওপৰত প্রতিষ্ঠিত হয়। উপেক্ষিত বিশেষজ্ঞসকলক উপযুক্ত মর্যাদা প্রদানৰদ্বাৰাহে উভয়ৰ মাজত সহযোগিতা আৰু সন্মানৰ মনোভাৱ সৃষ্টি কৰিব পৰা যাব।

ভৱিষ্যতৰ আমোলাসকল কাৰিকৰী দিশত কৌশলী হোৱাৰ লগতে প্রশাসনীয় দিশতো তেওঁলোকৰ উচ্চ পর্যায়ৰ কুশলতা থাকিব লাগিব। তদুপৰি প্রশাসনিক দিশত দক্ষতা প্রদর্শন কৰা বিশেষজ্ঞ আমোলাসকলৰ মাজৰ পৰা বহু বিষয়ৰ বিশেষজ্ঞ আমোলা নির্বাচন কৰিবলৈও বিভিন্ন পদক্ষেপ গ্রহণ কৰা উচিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ জ্ঞানবিদসকলৰ সপক্ষে দুটা যুক্তি দাঙি ধৰক।

.....

.....

প্রশ্ন ৪ ঃ জ্ঞান বিশেষজ্ঞসকলৰ সপক্ষে দুটা যুক্তি প্রদর্শন কৰক।

.....

.....



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'জ্ঞানবিদ' আৰু 'জ্ঞান বিশেষজ্ঞ' বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ ক্ষেত্রখনৰ দুটা সহজবোধ্য শব্দ। জ্ঞানবিদসকল বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ জ্ঞানৰ ক্ষেত্রত বহল দৃষ্টিভংগীৰ অধিকাৰী হয়। তেওঁলোকৰ কোনো ক্ষেত্রৰ অন্তর্গত এটা নির্দিষ্ট বিষয়ৰ জ্ঞান নাথাকিলেও বিষয় বা সমস্যাটো সম্বন্ধে এক বহল দৃষ্টিভংগী গ্রহণ কৰি এটা সাধাৰণ উপদেশ বা মত প্রদান কৰিব পাৰে।
- এগৰাকী জ্ঞান বিশেষজ্ঞ যিকোনো এটা বিষয়ৰ অন্তর্গত কোনো এটা শাখা সম্বন্ধে গভীৰ জ্ঞানৰ অধিকাৰী হয়। তেওঁ নিজৰ ক্ষেত্রখনত জ্ঞানৰ অন্বেষণৰ উদ্দেশ্যে গভীৰৰ পৰা গভীৰতালৈ প্রৱেশ কৰে। জ্ঞান বিশেষজ্ঞ এগৰাকী সাধাৰণতে নিজৰ নির্দিষ্ট কর্মক্ষেত্রৰ প্রতি অধিক মনোযোগী হয়।
- জ্ঞানবিদ আৰু জ্ঞান বিশেষজ্ঞৰ মাজৰ এই বিতর্ক প্রশাসন ব্যৱস্থাটোৰ দৰেই পুৰণি। জ্ঞানবিদ প্রশাসক আমোলাসকলক ব্রিটিছ ঔপনিৱেশিক শাসকসকলে সৃষ্টি কৰিছিল।
- ভাৰতীয় অসামৰিক সেৱা [ICS] ত জড়িত যুৱকসকল ব্রিটিছ ঔপনিৱেশিক শাসনৰ প্রতিটো দিশৰ ৰক্ষক হৈ পৰিছিল। তেওঁলোকক স্বৈৰাচাৰী শাসক হিচাপে গঢ়ি তুলিবলৈ

আৰু নিজৰ পদমর্যাদাৰ মান অটুট ৰাখিবলৈ প্রশিক্ষণ প্রদান কৰা হৈছিল।

- স্বাধীনতাৰ পিছত ব্রিটিছৰ সময়ৰ ভাৰতীয় অসামৰিক সেৱা (ICS) ক ভাৰতীয় প্রশাসনিক সেৱা (IAS) নামেৰে নামকৰণ কৰা হৈছিল। স্বাধীন ভাৰতৰ এই প্রশাসনিক বিষয়াসকলে ৰাষ্ট্রীয় সংহতি স্থাপন আৰু স্থানীয় বিভাজনকাৰী শক্তিসমূহক দমন কৰাৰ দায়িত্ব পালন কৰি আহিছে।
- পূর্বপ্রস্তুত পৰিকল্পনা অনুসৰি প্রশাসনীয় বিষয়াসকল জিলা পর্যায়ৰপৰা ৰাজ্যৰ ৰাজধানীলৈ তাৰ পৰা কেন্দ্রীয় সচিবালয়লৈ গতি কৰে আৰু শেষত কেন্দ্রীয় সচিবালয়ৰ পৰা পুনৰ জিলা পর্যায়লৈ ঘূৰি আহে। প্রশাসন ব্যৱস্থাটোৰ মেৰুদণ্ডস্বৰূপ এই বিষয়াসকল প্রশাসন ব্যৱস্থাটোৰ শীর্ষতম স্থানত অধিষ্ঠিত হৈ আছে।
- ভাৰত চৰকাৰে উন্নয়নমূলক কার্যসমূহৰ প্রসাৰৰ উদ্দেশ্যে প্রযুক্তিবিদ্যাৰ সেৱাসমূহত বিজ্ঞানী, অভিযন্তা, প্রযুক্তিবিদ, চিকিৎসক আদি নিযুক্তি দিয়াৰ লগে-লগে ভাৰতত বহু বিষয়ৰ বিশেষজ্ঞসকলৰ মাজত বিতর্কৰ সূত্রপাত হ'ল। স্বাধীনতাৰ পৰৱর্তী যুগত চৰকাৰৰ কার্যাৱলীৰ ক্ষিপ্র আৰু ব্যাপক বিস্তাৰ হৈছিল। প্রযুক্তিবিদ্যাৰ সেৱাসমূহত জড়িত বিষয়াসকলে দেশৰ উন্নয়নত গুৰুত্বপূর্ণ অৱদান আগবঢ়ালেও কেন্দ্রীয় প্রশাসন ব্যৱস্থাত শীর্ষস্থান লাভ কৰিব নোৱাৰে।
- বর্তমান সময়ত প্রশাসন যন্ত্রটো পূর্বৰ দৰে এটা সাধাৰণ ব্যৱস্থা মাত্র হৈ থকা নাই আৰু সেয়েহে গতানুগতিক আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত ব্যক্তিয়ে এই ব্যৱস্থাটো অকলে পৰিচালনা কৰিব নোৱাৰে। আধুনিক যুগৰ প্রশাসন ব্যৱস্থাটো জ্ঞানবিদসকলে অকলে সফলভাৱে চলাব নোৱাৰে। আধুনিক জটিল প্রশাসন ব্যৱস্থাটোত সেৱা আৰু নীতিসমূহৰ স্পষ্ট উল্লেখ থাকে। সেয়েহে এগৰাকী জ্ঞান বিশেষজ্ঞই এই সুস্পষ্ট সেৱা আৰু নীতিসমূহ এগৰাকী জ্ঞানবিদৰ সমানে সফলভাৱে পৰিচালনা কৰিব পাৰে।
- ভাৰতত ৰাজহুৱা খণ্ডত জ্যেষ্ঠ আৰু শার্ষস্থানীয় পদৰ প্রতিযোগিতাৰ বাবে জ্ঞানবিদৰ বিতর্কই এক নতুন মাত্রা লাভ কৰিছে। তদুপৰি ১৯৬৬ চনত প্রশাসনিক সংস্কাৰ আয়োগৰ প্রতিবেদন প্রকাশৰ পিছত এই বিতর্কত এক নতুন দিশৰ সংযোজন হৈছিল।
- প্রতিবেদনখনত থকা পৰামর্শ অনুসৰি ভাৰতৰ প্রশাসন ব্যৱস্থাটো কেৱল জ্ঞানবিদসকলৰ সেৱা হৈ থকাৰ সলনি ই প্রশাসন যন্ত্রটোৰ কার্যকৰী দিশৰ ওপৰত অধিক গুৰুত্ব প্রদান কৰা উচিত। যদিহে আয়োগৰ প্রতিবেদনৰ এই প্রস্তাৱ গৃহীত হয়, তেন্তে প্রশাসনিক সেৱাত কেৱল জ্ঞান বিশেষজ্ঞসকলহে থাকিব জ্ঞানবিদসকল নাথাকে।
- ভৱিষ্যতৰ আমোলাসকল কাৰিকৰী দিশত কৌশলী হোৱাৰ লগতে প্রশাসনীয় দিশতো তেওঁলোকৰ উচ্চ পর্যায়ৰ কুশলতা থাকিব লাগিব। তদুপৰি প্রশাসনিক দিশত দক্ষতা প্রদর্শন কৰা জ্ঞান বিশেষজ্ঞ আমোলাসকলৰ মাজৰ পৰা জ্ঞানবিদ আমোলা নির্বাচন কৰিবলৈও বিভিন্ন পদক্ষেপ গ্রহণ কৰিব লাগিব।